Date:
Page No.

দৈনিক জনমভূমি ৫/১১

# এন আৰ চিত নাম নুঠাৰ দুখত বৃদ্ধৰ আত্মহত্যা

লেখাপানী ঃ নিজা প্ৰতিবেদক, ৪ নৱেম্বৰ ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত নোহোৱাৰ দুখত চিপ লৈ আত্মহত্যা কৰিলে লিড়ুৰ এজন ৭৫ বছৰীয়া বৃদ্ধই। লিড়ু আৰক্ষী চকীৰ অন্তৰ্গত টিকক চীনা বস্তিৰ বাসিন্দা জমিৰ খান নামৰ এই লোকজনৰ মৃত্যুৱে সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰিয়ালৰ সূত্ৰ পৰা জানিব পৰা মতে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম চলি থকাৰ মাজতে জিলা প্ৰশাসনৰ তৰফৰ পৰা জমিৰ খানৰ নামত সন্দেহজনক নাগৰিক বুলি এখন পত্ৰ প্ৰেৰণ কৰে। পত্ৰখন পোৱাৰ লগে লগে খানে তেওঁৰ পুত্ৰৰ হাতত ভাৰতীয় নাগৰিক হিচাপে দাবী কৰিব পৰাকৈ কেইখনো পৌৰাণিক নথি বিভাগীয় কৰ্তৃপক্ষক প্ৰদান কৰে। কিন্তু সোপাটিলা চৰকাৰী বিভাগে যোৱা কেইবামাহ জুৰি কোনো সদুত্তৰ নিদিয়াত বৃদ্ধগৰাকীয়ে মনৰ বেজাৰত চিপ লৈ আত্মহত্যা কৰে বুলি পৰিয়ালৰ সূত্ৰই দাবী কৰিছে। উল্লেখযোগ্য যে স্বাধীনতাৰ বহুপূৰ্বে অসমত জন্ম গ্ৰহণ কৰা এইজন ধৰ্মপ্ৰাণ লোকৰ পিতৃ আনৰূপ মুছলমানো লিড়ুৰে বাসিন্দা আছিল। তৎসত্ত্বেও কাৰ ভুলৰ বাবে 'ডি' ভোটাৰ হ'ব লগীয়া হ'ল সেয়া ৰহস্যজনক।